# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 25-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines

-------------------

১। শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ্ আই টিৰ আজি তিনিটা পৃথক স্থানত প্ৰাৰম্ভিক তদন্ত। ঘটনাৰ সময়ত ছিংগাপুৰলৈ যোৱা সকলোকে সোধা-পোছা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ইংগিত।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি আজি দুটাকৈ সংগঠনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল।

৩। কাইলৈ পুৱা ৮ বজাৰ পৰা বিটিচিৰ ৪০টা সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা। ফলাফল আবেলিৰ ভিতৰত ঘোষণা হোৱাৰ সম্ভাৱনা।

৪। বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কাইলৈৰ পৰা পৰ্যটকৰ বাবে মুকলি *আৰু*

৫। এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া দল আজি চূড়ান্ত। আজি নিশা ৮ বজাৰ পৰা ছুপাৰ-ফ'ৰ পৰ্যায়ত পাকিস্তান বাংলাদেশৰ মুখামুখি।

ooooo

শিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰা বিশেষ অনুসন্ধানকাৰী গোট-এছ্ আই টিৰ এটা দলে আজি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্তৰ গুৱাহাটীৰ গীতানগৰত থকা বাসভৱনত প্ৰাৰম্ভিক তদন্ত চলায়। মুখ্য অনুসন্ধানকাৰী বিষয়া ৰ'জী কলিতাৰ নেতৃত্বত এছ্ আই টিৰ দলে জালুকবাৰীৰ গাড়িগাঁৱত জুবিন গাৰ্গৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীৰ বাসগৃহলৈ গৈ তেওঁক কেইবাঘণ্টা ধৰি সোধা-পোছা কৰে। চি আই ডিয়ে আজি জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহতো অভিযান চলায়। চি আই ডিৰ অভিযানৰ সময়তে মেনেজাৰজনৰ ঘৰৰ বাহিৰত উত্তেজিত জনতাক আৰক্ষীয়ে বহু কষ্ট কৰি নিয়ন্ত্ৰণ কৰে।

জুবিন গাৰ্গৰ ছিংগাপুৰৰ সাগৰত বুৰি দুৰ্ভাগ্যজনকভাৱে মৃত্যু হোৱা ঘটনা সন্দৰ্ভত এছ্ আই টিয়ে সেই দলৰ সৈতে ছিংগাপুৰলৈ যোৱা সকলো ব্যক্তিকে সোধা-পোছা কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰাৰ লগতে ঘটনাৰ সৈতে সম্পৰ্ক থকা যিকোনো বিশ্বাসযোগ্য তথ্য কাৰোবাৰ হাতত থাকিলে সেইসমূহ পোনপটীয়াকৈ digp-cid@assampolice.gov.in লৈ মেইল যোগে প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে।

**বাইট (চি এম)**

জুবিন গাৰ্গৰ আকস্মিক বিয়োগক সহজে মানি ল'ব নোৱৰা ৰাজ্যৰ জনসাধাৰণে বিভিন্ন ঠাইত তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই সন্দৰ্ভত কেইবাটাও গোচৰো ৰুজু হৈছে। ইয়াৰ লগতে ৰাজ্যজুৰি শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীও অব্যাহত আছে। ইপিনে শিল্পীগৰাকীৰ সমাধিস্থলীত সুৰাপান কৰি উদ্ভণ্ডালি কৰাৰ অভিযোগত সোণাপুৰ আৰক্ষীয়ে ছজন যুৱক-যুৱতীক আটক কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে তেওঁলোকে

নিজকে জুবিন গাৰ্গৰ অনুৰাগী বুলি পৰিচয় দি সমাধিস্থলীৰ দেৱাল নিৰ্মাণ কৰি থকা শ্ৰমিকক কাম বন্ধ কৰিবলৈ হুমকি দিছিল। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ সুৰামত্ত যুৱক-যুৱতী ছজনক আটক কৰে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি আজি আছাম পাব্লিক ৱৰ্কছ্ আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ নামৰ সংগঠন দুটাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। আছাম পাব্লিক ৱৰ্কছ্ৰ সভাপতি অভিজিৎ শৰ্মা আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন উপ-সভাপতি পলাশ ৰঞ্জন বৰুৱাই এই আবেদনখন দাখিল কৰে। জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে যুক্তি প্ৰদৰ্শন কৰিবলগীয়া এই আবেদনখনৰ অহা ১০ নৱেম্বৰত শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এই ঘটনাত তদন্ত বিচাৰি উচ্চ ন্যায়ালয়ত এতিয়ালৈ তিনিখন আবেদন দাখিল হৈছে। এই ঘটনাৰ তদন্ত বিচাৰি এজন অধিবক্তাই দাখিল কৰা আন এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে কালি গ্ৰহণ কৰিছিল। অহা ৮ নৱেম্বৰত এই আবেদনখনৰ শুনানিৰ বাবে তালিকাভুক্ত কৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। অৱশ্যে কোনো ব্যক্তিগত স্বাৰ্থত যদি এই আবেদনখন দাখিল কৰা হৈছে তেনেহ'লে আবেদনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আদালতে সকীয়াই দিছে।

ooooo

প্ৰিয় শিল্পী জুবিন গাৰ্গৰ অকাল আৰু অস্বাভাৱিক মৃত্যুৰ ঘটনাক লৈ ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে আজিও প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে দোষীক শীঘ্ৰেই কৰায়ত্ত কৰাৰ বাবে দাবী উত্থাপন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাই আজি শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি গুৱাহাটী ছহিদ ন্যাস ভৱনত সংবাদ মাধ্যমক সম্বোধন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাৰ লগতে এই ঘটনাৰ প্ৰতিবাদত কাইলৈ প্ৰতিখন জিলাৰ সদৰ স্থানত মমবাতি জ্বলাই সমদল কৰা হ'ব বুলি জানিবলৈ দিয়ে। তেওঁলোকে এই তদন্ত ক্ষীপ্ৰ আৰু কঠোৰ হ'ব লাগিব বুলি দাবী জনায়। তেওঁলোকে দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টাগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয় -

বাইট (সমুজ্জ্বল ভট্টাচাৰ্য)

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ' সাংস্কৃতিক সমাজে আজি প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে মৰমৰ শিল্পীগৰাকীৰ মৃত্যুৰ ৰহস্য ফাদিল কৰি দোষীক কঠোৰ শাস্তিৰ দাবী জনায়। জিলাখনৰ অন্যান্য প্ৰান্ততো আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়।

শিৱসাগৰত আজি অসমীয়া যুৱ মঞ্চ আৰু ছাত্ৰ সমাজে প্ৰতিবাদ সাব্যস্ত কৰে। নগৰখনৰ দৌলমুখ চাৰিআলিৰ পৰা উলিওৱা প্ৰতিবাদী সমদলত বৃহৎ সংখ্যক লোকে অংশগ্ৰহণ কৰে। জনতাই সমগ্ৰ ঘটনাৰ উচিত তদন্ত দাবী কৰাৰ লগতে দোষীসকলক কঠোৰ শাস্তি বিহাৰ দাবী জনায়।

ooooo

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগৰ এসপ্তাহ পাৰ হৈ যোৱাৰ পাছতো ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। প্ৰান্তে প্ৰান্তে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই কাইলৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে উদ্যানখন মুকলি কৰিব। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সন্মুখৰ কলঙৰ পাৰৰ নিৰ্মীয়মান উদ্যানখন জুবিন গাৰ্গ ক্ষেত্ৰ হিচাপে নামকৰণ কৰা হৈছে। উদ্যানখনত আজি শিল্পীগৰাকীৰ শিল্পী চিতাভস্ম স্থাপন কৰাৰ লগতে দুটা নাহৰৰ পুলি ৰোপণ কৰা হয়। নগাঁও জিলা প্ৰশাসন আৰু নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাৰ আহ্বানত কালি চহৰখনৰ নেহৰুবালিত শিল্পীগৰাকীৰ চিতাভস্মত শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে ৩০ হাজাৰৰো অধিক লোকে সমস্বৰে মায়াবিনী গীতটো পৰিবেশন কৰে। ডিব্ৰুগড়ৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে আজি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ প্ৰিয় গছ নাহৰ

গছৰ পুলি ৰোপণ কৰে। জিলাখনৰ মাইজান বৰশইকীয়া গাঁৱৰ ব্ৰহ্মপুত্ৰৰ বালিচাপৰিত আজি শিল্পী আকাশ কৰ্মকাৰে বলুকাত শিল্পীগৰাকীক সুঁৱৰি শিল্পকৰ্ম কৰে। ইপিনে, হোজাই জিলাৰ লংকাৰ ২ নম্বৰ ৰে'লগেটত নিৰ্মীয়মান উৰণ সেতুখন জুবিন গাৰ্গৰ নামেৰে নামকৰণ কৰিবলৈ অনুৰোধ জনাই লংকা সাংবাদিক সন্থাই ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে।

তিৱা স্বায়ত্ত শাসিত পৰিষদে মৰিগাঁৱত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ পদক্ষেপ লৈছে। এই উপলক্ষে আজি পৰিষদৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ooooo

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা কাইলৈ পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হ'বলগীয়া এই ভোটগণনা প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে বিটিআৰৰ জিলাকেইখনৰ প্ৰশাসন সাজু হৈ উঠিছে। প্ৰশাসনে স্থাপন কৰা ষ্ট্ৰং ৰুমসমূহত বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে। এই ভোটগণনাৰ জৰিয়তে ৩১৬ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। উল্লেখযোগ্য যে যোৱা ২২ ছেপ্তেম্বৰত বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণত ৭৮ দশমিক ৪-২ শতাংশ লোকে ভোটদান কৰিছিল। ইয়াৰ ভিতৰত কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত ৮২ দশমিক ২-৭ শতাংশ, ওদালগুৰি জিলাৰ ১০টা সমষ্টিত ৭৫ দশমিক ১-৭ শতাংশ, তামুলপুৰ জিলাৰ ৪টা সমষ্টিত ৭৫ দশমিক ০-৯ শতাংশ, বাক্সাৰ ৬টা সমষ্টিত ৭৬ দশমিক ৯-২ শতাংশ আৰু চিৰাং জিলাৰ ৭টা সমষ্টিত ৮০ দশমিক ১-১ শতাংশ লোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছিল। ওদালগুৰি জিলাত এই ভোটগণনাৰ জৰিয়তে ৬৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত স্থাপন কৰা ষ্ট্ৰংৰুমত বেলট বাকচসমূহ নিৰাপত্তা বেষ্টনীৰ মাজত ৰখা হৈছে।

চিৰাং জিলাত সাতটা পৰিষদীয় সমষ্টিৰ বাবে কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে উপেন্দ্ৰনাথ ব্ৰহ্ম মহাবিদ্যালয়ত ৩৮খন টেবুল আৰু বিজনী মহকুমাৰ ভোটগণনাৰ বাবে ৫৪খন টেবুল সাজু কৰা হৈছে। জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত ৫৬গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

বাক্সা জিলাৰ সদৰ মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাইলৈ ভোটগণনা অনুষ্ঠিত হ'ব। এই ভোটগণনাৰ জৰিয়তে ৫২গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হ'ব। মুঠ ১৪খন টেবুলত ভোটগণনা হ'ব আৰু সাতটা ৰাউণ্ডৰ ভিতৰত ভোটগণনা সমাপ্ত হ'ব বুলি জিলা আয়ুক্তই অনুমান কৰিছে।

তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিত কাইলৈ ৪১গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। প্ৰায় সাতটা ৰাউণ্ডত ভোটগণনা কৰা হ'ব বুলি জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত জিলা নিৰ্বাচনী বিষয়া তথা জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এইদৰে কয়-

**বাইট**

ooooo

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কাইলৈৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত কাইলৈ পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হ'ব। দুৱাৰ মুকলি অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা, অজন্তা নেওগ, কেশৱ মহন্ত আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছা উপস্থিত থকাৰ কথা। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ বাবে ইতিমধ্যে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পৰিবহণ বিভাগে জীপসমূহৰ পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰাৰ উপৰি চালকৰ প্ৰশিক্ষণো সম্পূৰ্ণ কৰিছে। কাইলৈ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হ'ব। ইপিনে কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান কালিৰেপৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু মৰাণ জাতীয় মহিলা পৰিষদৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দাবীকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। মৰাণসকলৰ জনজাতিকৰণৰ দাবীক লৈ চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বৈঠকত অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰদান, গ্ৰেজিঙৰ ভূমিত বাস কৰা মৰাণসকলক ভূমিৰ অধিকাৰ প্ৰদান, স্বায়ত্তশাসিত পৰিষদৰ সীমা নিৰ্ধাৰণ আদি সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই এই বিষয়সমূহত তাৎক্ষণিক আৰু দীৰ্ঘম্যাদী পদক্ষেপ ল'বলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত মাথো দুদিন বাকী থকা অৱস্থাত বিভিন্ন পূজা মণ্ডপত দেৱীৰ প্ৰতিমা স্থাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। অসমবাসীৰ আদৰৰ শিল্পী জুবিন গাৰ্গৰ শোকত ম্ৰিয়মান হৈ পৰা ৰাজ্যবাসীৰ এইবাৰ যেন পূজাৰ পূৰ্বৰ উৎসাহ নাই। শিল্পীগৰাকীৰ আকস্মিক দেহাৱসানে সৃষ্টি কৰা শূন্যতাৰ পৰিৱেশৰ সৈতে এতিয়াও ৰাজ্যবাসী সহজ হৈ উঠা নাই।

শাৰদীয় নৱৰাত্ৰিৰ আজি চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হৈছে। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। শক্তিপীঠ কামাখ্যা ধামকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ পূজা পৰম্পৰাগত ৰীতি নীতিৰে সম্পন্ন কৰা হৈছে। অহা দেওবাৰে ষষ্ঠীৰ বেদীত দেৱীক প্ৰতিষ্ঠা কৰা হ'ব। কামাখ্যা ধামত আড়ম্বৰ পৰিহাৰ কৰি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা কৰা হয়। বিশেষকৈ শক্তিপীঠত আয়োজিত কুমাৰী পূজাই বিশেষ তাৎপৰ্য্য বহন কৰে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰা শেষৰ দিনটোলৈকে প্ৰতিদিনে ইয়াত কুমাৰী পূজা কৰা হয়।

অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭ হাজাৰ ৮১৭ খন দুৰ্গা পূজা সমিতিলৈ উৎসৱ উদযাপনৰ বাবে ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াইছে।

তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে শাৰদীয় দুৰ্গা পূজা উদযাপন সন্দৰ্ভত পূজা সমিতিসমূহলৈ কিছু নীতি-নিৰ্দেশনা আগবঢ়াইছে। এই অনুসৰি পৰিৱেশ সংৰক্ষণত সহায় হোৱাকৈ ষষ্ঠীৰ দিনা তুলসী, নীম, বৰগছ আদিকে ধৰি ১০টাতকৈ অধিক গছপুলি ৰোপণ কৰিবলৈ পূজা সমিতিসমূহক নিৰ্দেশ দিয়া হৈছে। সপ্তমীৰ দিনা ভক্তসকলক শাক পাচলি আৰু ফুলৰ বীজ অথবা গছপুলি বিতৰণ কৰিবলৈ কোৱা হৈছে। পৰিৱেশ অনুকূল বেনাৰ ব্যৱহাৰ কৰি কাৰ্বন মুক্ত দুৰ্গা পূজাৰ চিহ্ন আৰু ল'গ' প্ৰতিটো পূজা মণ্ডপত প্ৰদৰ্শন কৰাৰ লগতে পূজা মণ্ডপসমূহত প্লাষ্টিকমুক্ত কৰি সেউজীয়া থীম ব্যৱহাৰেৰে নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া দল আজি চূড়ান্ত হ'ব। প্ৰতিযোগিতাত আজি নিশা ৮ বজাত ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশ পাকিস্তানৰ মুখামুখি হ'ব। খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ভাৰতে যোৱা নিশা ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে।

০০০০০

ডিব্ৰুগড় জিলাৰ উদয়পুৰ নিবাসী শিল্পী শান্তনু শৰ্মাৰ যোৱানিশা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ। তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ নাটকৰ নিয়মীয়া শিল্পী আছিল। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

ooooo

সমাপ্ত